আধুনিক অসম

এটি আভাস

দ্বিতীয় খণ্ড

মুখ্য সম্পাদক
ড° জ্যোতির্ময় জানা

সম্পাদক
ড° মঞ্জু লস্কর

Scanned by CamScanner

ADHUNIK ASOM: ETI ABHAS

(A Glimpse of Modern Assam)

Vol. 2, of a four volume a collection of essays dealing with some areas and aspects of Assam since 1826

Chief Editor
Dr Jyotirmay Jana

Editor
Dr Manju Laskar

Publisher
Dr Ajanta Dutta Bordoloi
Principal, Nowgong Girls' College
Nagaon, Assam

ISBN 978-93-85310-09-6

প্ৰথম প্ৰকাশ
ডিচেম্বৰ, ২০১৫

©গ্ৰন্থস্বত্ব
নগাঁও ছোৱালী কলেজ, নগাঁও, অসম

যিকোনো প্ৰবন্ধত প্ৰকাশিত যি-কোনো তথ্য বা অভিমতৰ বাবে একান্তভাৱে দায়ী সেই প্ৰবন্ধৰ লেখক, মুখ্য সম্পাদক বা সম্পাদক বা প্ৰকাশক নহয়।

মূল্যঃ ৩০০.০০

মুদ্ৰক
গিগাবাইট্ছ প্ৰেছ এণ্ড পাব্লিকেশ্যন,
মিলনপুৰ, নগাঁও (অসম)

Scanned by CamScanner

স্বৰাজোত্তৰ অসমত শিক্ষাৰ অগ্ৰগতিঃ এক চমু খতিয়ান

ড° মনোজকুমাৰ চুতীয়া

১৮২৬ চনৰ য়াণ্ডাবু সন্ধিৰ জৰিয়তে ব্ৰিটিছে অসম অধিকাৰ কৰাৰ সময়ত শিক্ষাৰ অৱস্থা আছিল অতিশয় শোচনীয়। ঔপনিৱেশিক সময়ছোৱাতে অসমত আধুনিক শিক্ষাৰ বীজ অঙ্কুৰিত হ'লেও শিক্ষা-বিকাশৰ গতি আছিল তেনেই শামুকীয়া। প্ৰায় ছকুৰি এবছৰৰ অধিককাল ঔপনিৱেশিক শাসনৰ অধীনত থাকি ১৯৪৭ চনত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমেও বহু-প্ৰতীক্ষিত স্বাধীনতা লাভ কৰে। স্বাধীন ভাৰতৰ দেশীয় চৰকাৰে ন-উদ্যমেৰে ৰাষ্ট্ৰ-নিৰ্মাণৰ কামত মনোনিৱেশ কৰে আৰু শিক্ষাক্ষেত্ৰৰ পুনৰ্গঠনৰ ওপৰত জো�ৰ দিয়ে। কাৰণ, শিক্ষা হৈছে ৰাষ্ট্ৰ-নিৰ্মাণৰ মূল আহিলা। অসমৰ প্ৰাদেশিক চৰকাৰেও ৰাষ্ট্ৰীয় নীতিৰ আৰ্হিত ৰাজ্যখনৰ উন্নতিৰ বাবে অন্যান্য দিশবোৰৰ লগতে শৈক্ষিক দিশৰ ওপৰত জোৰ দিয়ে। ১৯৪৭ চনৰপৰা বৰ্তমানলৈকে অসমত শিক্ষাৰ অগ্ৰগতিলৈ চকু দিলে দেখা যায় যে এই অগ্ৰগতি চকুত পৰা হ'লেও বৰ্তমানেও ই জনসাধাৰণৰ প্ৰত্যাশা পূৰণ কৰিব পৰা হৈ উঠাগৈ নাই। এই আলোচনাত স্বৰাজোত্তৰ অসমত প্ৰাথমিক, মাধ্যমিক, উচ্চ, স্ত্ৰী আৰু কাৰিকৰী শিক্ষা বিকাশৰ এক চমু খতিয়ান দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

স্বৰাজোত্তৰ অসমত প্ৰাথমিক শিক্ষাৰ বিকাশ

১৯১০ আৰু ১৯১১ চনত স্বদেশী আন্দোলনৰ জাতীয়তাবাদী নেতা গোপালকৃষ্ণ গোখলেই ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিবৰ বাবে প্ৰথমবাৰৰ বাবে উত্থাপন কৰা বিল ব্ৰিটিছ ইম্পিৰিয়েল লেজিস্লেটিভ কাউন্সিলত (British Imperial Legislative Councilত) অগ্ৰাহ্য হ'লেও জনসাধাৰণ ইয়াৰ প্ৰতি সজাগ হয়। ইংলেণ্ডত ১৮৭০ চনতেই ফষ্টাৰৰ আইনৰ (Forster's Elementary Education Actৰ) যোগেদি প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তোলা হয় যদিও সেই একে ইংৰাজ চৰকাৰে ভাৰতত সম্পূৰ্ণ এক বৈষম্যমূলক নীতি গ্ৰহণ কৰি তেওঁলোকৰ ঔপনিৱেশিক চৰিত্ৰ

Scanned by CamScanner